## ‘মোৰ সপোনৰ অসম’ ঃ কৃষ্ণকান্ত সন্দিকৈ স্মাৰক বক্তৃতাত ড° নগেন শইকীয়া

# হিন্দু শৰণাৰ্থীক সংস্থাপন দিলে সংকটত পৰিব অসমীয়া ভাষা

**ষ্টাফ ৰিপৰ্টাৰ, ২০ জুলাই ঃ** ‘বাংলাদেশৰ হিন্দু শৰণাৰ্থীক অসমত সংস্থাপন দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত বাতিল নকৰিলে অসমে আকৌ মাতৃভাষা হেৰুওৱা সংকটৰ সন্মুখীন হ’ব। এই বিষয়টোৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক পতিয়ন নিয়াব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।’— এই মন্তব্য বিশিষ্ট সাহিত্যিক, বুদ্ধিজীৱী তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়াৰ। আজি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত ‘কৃষ্ণকান্ত সন্দিকৈ স্মাৰক বক্তৃতা’ত ড° শইকীয়াই কয় যে সন্মুখৰ বিপদ নেওচি এখন নতুন অসম গঢ়াৰ সপোন ৰচিব লাগিব। বিগত সময়ছোৱাত ৰাজ্যখনে সন্মুখীন হোৱা বিভিন্ন বিপদৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়— ‘আপোন-



পৰ নিৰ্বাচিতৰাকৈ যদি দুৰ্নীতিপৰায়ণসকলৰ বিৰুদ্ধে আইনসংগত ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব পাৰে, তেতিয়াহ’লে হয়তো দুৰ্নীতিৰ কৰাল গ্ৰাসৰ পৰা ৰাজ্যখন লাহে লাহে মুক্ত হ’ব। নাগালেণ্ডে দাবী কৰা ‘নাগালিম’-এ কঢ়িয়াই অনা ভাবুকি অসমৰ মানুহে কলিতে প্ৰতিৰোধ কৰিব নোৱাৰিলে এই সংকটে অসমক চিৰকুগীয়া কৰি তুলিব।’ বিশিষ্ট সাহিত্যিকগৰাকীয়ে এখন প্ৰগতিশীল অসম গঢ়িবলৈ কাৰ্যকৰী কৰিবলগীয়া বিষয়সমূহৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। ‘মোৰ সপোনৰ অসম’ শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ড° শইকীয়াই নিৰ্মীয়মাণ সোৱণশিৰি বান্ধৰ প্ৰসংগও উল্লেখ কৰে। এই সন্দৰ্ভত তেওঁ কয়— ‘অসমৰ বিভিন্ন জ্যেষ্ঠ কাৰিকৰী জ্ঞান থকা বিশেষজ্ঞয়ো নিৰ্মীয়মাণ সোৱণশিৰি বান্ধে অসমলৈ বিপদ কঢ়িয়াই আনিব বুলি তথ্যসহকাৰে ১০ পৃষ্ঠাত চাওক

## হিন্দু শৰণাৰ্থীক সংস্থাপন দিলে সংকটত পৰিব অসমীয়া

দাঙি ধৰাৰ পাছতো কেন্দ্ৰীয় চৰকাৰে এই বিষয়ত কোনো ইতিবাচক সিদ্ধান্ত নলৈ বৰং বান্ধ নিৰ্মাণৰ সিদ্ধান্তত অটল হৈ থকা দেখা গৈছে। ইয়েও অসমৰ বাবে দুৰ্ভাবনা কঢ়িয়াই আনিছে।’ উল্লেখ্য যে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত স্মাৰক বক্তৃতানুষ্ঠানত ইয়াৰ পূৰ্বে বিশিষ্ট সাহিত্যিক বুদ্ধদেৱ দাশগুপ্ত, শান্তিৰ ন’বেল বঁটা বিজয়ী কৈলাস সত্যাৰ্থীৰ দৰে ব্যক্তিয়ে বক্তৃতা প্ৰদান কৰি গৈছে। শেহতীয়াভাৱে ৰাজ্যখনে সন্মুখীন হোৱা সমস্যাসমূহৰ প্ৰত্যাহ্বান নেওচি কিদৰে সম্ভাৱনীয়তাৰ দুৱাৰ মুকলি কৰিব পাৰি, সেয়া ব্যাখ্যা কৰে ড° শইকীয়াই। শেহতীয়াভাৱে হোৱা প্ৰলয়ংকৰী বানত ৰাজ্যখনৰ ব্যাপক ক্ষতি হৈছে। সেয়েহে ব্ৰহ্মপুত্ৰক শক্তিৰ উৎস হিচাপে গঢ়ি তুলিবলৈ সাহিত্যিকগৰাকীয়ে আহ্বান জনায়। এই প্ৰসংগত তেওঁ কয় যে ১৯৫০ চনৰ পাছৰ পৰাই অসমত ব্ৰহ্মপুত্ৰ আৰু নৈ-উপনৈসমূহৰ বাঢ়নী পানীয়ে কঢ়িয়াই অনা দুখ-কষ্টই এই বছৰো সীমা চেৰাই যোৱা দেখা গৈছে। এইক্ষেত্ৰত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাম সঠিকভাৱে খৰতকীয়াকৈ আৰম্ভ কৰিব নোৱাৰিলে ৰাজ্যখনে যে জীয়াতু ভুগিব লাগিব, তাত সন্দেহ নাই। ব্ৰহ্মপুত্ৰক বিজ্ঞানসন্মতভাৱে নিয়ন্ত্ৰণ কৰি এই নদীৰ জলধাৰা এটা কেন্দ্ৰীভূত সোঁতলৈ ৰূপান্তৰিত কৰিব নোৱাৰিলে ব্ৰহ্মপুত্ৰৰ তলী আৰু ওপৰলৈ উঠি আহি থাকিব আৰু বান-গৰাখহনীয়াই প্ৰতিবছৰে জন-ধন-সম্পত্তি অভাৱনীয়ভাৱে গ্ৰাস কৰি গৈ থাকিব। আনহাতে, ঐতিহ্যৰ ভেটিত ঐক্য আৰু আধুনিকতাৰ স্বপ্নৰে এখন সপোনৰ অসম গঢ়িব পাৰি বুলি উল্লেখ কৰি তেওঁ কয়— ‘মোৰ সপোনৰ অসমখনত মই অসমৰ সভ্যতা আৰু সংস্কৃতি, ভাষা আৰু সাহিত্যৰ ঐতিহ্যৰ লগত সম্পৰ্ক থকাবিলাকৰ আধুনিক ৰূপ চাবলৈ বিচাৰোঁ, যাতে আমাৰ ভাষা-সাহিত্য, সভ্যতা আৰু সংস্কৃতি পৃথিৱীৰ দেশ আৰু জাতিৰ তেনে সম্পদৰ সকলো ক্ষেত্ৰতে সমকক্ষ ৰূপে প্ৰতিষ্ঠিত আৰু পৰিচিত হৈ ৰয়।’ লক্ষণীয় যে মাতৃভাষাৰ বিদ্যালয়সমূহত শিক্ষা গ্ৰহণ কৰিবলৈ ক্ৰমাৎ আগ্ৰহ কমি আহিছে একাংশ লোকৰ। কিন্তু মাতৃভাষাৰ শিপাৰ পৰা উভালি পৰা মানুহৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ কেতিয়াও হ’ব নোৱাৰে বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে ড° শইকীয়াই। মাতৃদুগ্ধৰ সমানেই মাতৃভাষা পুষ্টিকৰ বুলি উল্লেখ কৰি তেওঁ লগতে কয়— ‘ইংৰাজী বা হিন্দীৰ দ্বাৰা মাতৃভাষা কোনো ক্ষেত্ৰতে অপসাৰিত হোৱাটো মই চাব নোখোজোঁ। মাতৃভাষাক ভেটি কৰিয়েই ল’ৰা-ছোৱালীয়ে হিন্দী আৰু ইংৰাজী বিষয় হিচাপে সফলতাৰে আয়ত্ত কৰাটো মই বিচাৰোঁ।’ অসমৰ যুৱক-যুৱতীসকলক উদ্যোগ-বাণিজ্য আদি ক্ষেত্ৰত আগ-ভাগ লোৱাৰ লগতে মৃত উদ্যোগসমূহ পুনৰুজ্জীৱিত কৰিবলৈ ৰাজ্য চৰকাৰক তেওঁ আহ্বান জনায়। অনুষ্ঠানৰ আৰম্ভণিতে আদৰণী ভাষণ দিয়ে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° হিতেশ ডেকাই। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত বিশ্ববিদ্যালয়খনৰ অধ্যাপক-কৰ্মচাৰীৰ লগতে বহুসংখ্যক বিশিষ্ট লোক উপস্থিত থাকে।